**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 24-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। পশ্চিম এছিয়াত চলি থকা সংঘাতৰ সময়ত ভাৰতে গ্ৰহণ কৰা ভূমিকাই দেশৰ শক্তিশালী ৰূপক প্ৰতীয়মান কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজ্যিক সচিব মাৰ্ক' ৰুবিঅ'ৰ সৈতে পশ্চিম এছিয়াৰ সাম্প্ৰতিক সংঘাত সন্দৰ্ভত বাৰ্তালাপ কৰে।

৩। কেন্দ্ৰীয় মন্ত্ৰী ৰামদাস আঠাৱালেই ভগত সিং, সুখদেৱ আৰু ৰাজগুৰুক নিৰ্ভীক দেশপ্ৰেম আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতীকৰূপে আখ্যা দিছে।

৪। বিশ্বব্যাপী তেলৰ যোগান সুস্থিৰ কৰাৰ উদ্দেশ্যেৰে ইৰানৰ তেলৰ ওপৰত নিষেধাজ্ঞা সাময়িকভাৱে শিথিল কৰা হৈছে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰকাশ কৰিছে। ***আৰু***

৫। ওড়িশাৰ ভূৱনেশ্বৰত আজি ৰাষ্ট্ৰীয় ইনড'ৰ এথলেটিকছ্ চেম্পিয়নশ্বিপছৰ উদ্বোধনী সংস্কৰণ আৰম্ভ হ'ব।

০০০০০

পশ্চিম এছিয়াত চলি থকা সংঘাতৰ সময়ৰ সম্পৰ্ক গঢ়ি তোলা, উচিত সিদ্ধান্ত গ্ৰহণ কৰা আৰু সংকটসমূহক প্ৰভাৱশালীৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা ভূমিকাই দেশৰ শক্তিশালী ৰূপক প্ৰতীয়মান কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। নতুন দিল্লীত কালি বিয়লি ব্যক্তিগত খণ্ডৰ এটা সংবাদ প্ৰতিষ্ঠানে আয়োজন কৰা এখন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে কয় যে বিগত মাহৰ অন্তিমটো দিনৰ পৰা চলি থকা গোলকীয় অনিশ্চয়তা স্বত্বেও ভাৰতে বিশ্বাসেৰে আগবাঢ়ি গৈ আছে আৰু উন্নয়নৰ দিশত দৃঢ় দায়বদ্ধতাৰে অগ্ৰসৰ হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দেশে এতিয়া সংকটৰ পৰা আঁতৰি যোৱাৰ বিপৰীতে সংকটসমূহৰ মোকাবিলা কৰিবলৈ লৈছে। যুদ্ধৰ লেখীয়া কঠিন পৰিস্থিতিটো বিশ্বৰ অন্যান্য দেশসমূহে ভাৰতৰ নীতি, কৌশলগত চিন্তা আৰু সামৰ্থক স্বীকৃতি দিছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

শ্ৰীমোদীয়ে লগতে কয়, যে ভাৰতে পাৰস্য উপ-সাগৰীয় অঞ্চলৰ লগতে গ্লোবেল ৰেষ্ট, গ্লোবেল ছাউথ আৰু ইয়াৰ চুবুৰীয়া দেশসমূহৰ বাবে বিশ্বাসী সহযোগী ৰূপে আত্মপ্ৰকাশ কৰিছে।

পশ্চিম এছিয়াৰ এই সংকটৰ সময়ত কেন্দ্ৰীয় চৰকাৰে দেশৰ নাগৰিকসকলৰ সমস্যা লাঘৱ কৰাৰ উদ্দেশ্যে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে আৰু শক্তি, সাৰ, অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ উপলব্ধতা নিশ্চিত কৰিছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। দেশৰ নাগৰিকসকলৰ ভূমিকাত আলোকপাত কৰি শ্ৰীমোদীয়ে কয়, যে ১৪০ কোটি ভাৰতীয়ৰ সন্মিলিত প্ৰচেষ্টাই দেশক আগবঢ়াই লৈ গৈছে আৰু সংকটৰ সময়তো অৰ্থনীতিৰ দ্ৰুত বিকাশ অব্যাহত আছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজ্যিক সচিব মাৰ্ক’ ৰুবিঅ’ৰ সৈতে টেলিফোনৰ জৰিয়তে কথা পাতে। দুয়োগৰাকী নেতাই পশ্চিম এছিয়াৰ সাম্প্ৰতিক সংঘাতৰ লগতে আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিত ইয়াৰ প্ৰভাৱ সন্দৰ্ভত বাৰ্তালাপ কৰে বুলি সামাজিক মাধ্যমত লিখা এটা প’ষ্টত শ্ৰীজয়শংকৰে প্ৰকাশ কৰে। আলোচনাৰ সময়ত শক্তি সুৰক্ষাৰ সৈতে জড়িত বিষয়সমূহেও স্থান পাই বুলি তেওঁ জানিবলৈ দিয়ে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে লগতে ছৌদি আৰৱ আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ লগতে উপ-সাগৰীয় সহযোগিতা পৰিষদৰ সদস্য ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধিকো কালি সাক্ষাৎ কৰে। উল্লেখযোগ্য যে ছৌদি আৰৱ আৰু কেৱল সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰতে ৮০ লাখ ভাৰতীয় লোকে বসবাস কৰে। কালিৰ বৈঠকত বাহৰেইন, ওমান, কুৱেইট আৰু কাটাৰৰ ৰাষ্ট্ৰদূতেও ভাগ লয়। ৰাষ্ট্ৰদূত সকলেও বৈঠকৰ সময়ত পশ্চিম এছিয়াৰ বৰ্তমানৰ সংঘাতক লৈ মত বিনিময় কৰে বুলি ড০ জয়শংকৰে সামাজিক মাধ্যমৰ জৰিয়তে জানিবলৈ দিছে। পশ্চিম এছিয়াৰ দেশসমূহত বাস কৰা ভাৰতীয় লোকসকললৈ দেশকেইখনে আগবঢ়োৱা নিৰলস সহায়ৰ বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰদূতসকলক কৃতজ্ঞতা জ্ঞাপন কৰে।

ইয়াৰ পূৰ্বে ড০ জয়শংকৰে সংঘাতৰ সন্দৰ্ভত শ্ৰীলংকাৰ বিদেশমন্ত্ৰী বিজিথা হেৰাথৰ সৈতে বাৰ্তালাপ কৰে। চুবুৰীয়া প্ৰথম আৰু **মহাছাগৰ** লক্ষ্যৰে ভাৰত অটল হৈ আছে বুলিও বিদেশ মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী ৰামদাস আঠাৱালেই ভগত সিং, সুখদেৱ আৰু ৰাজগুৰুক নিৰ্ভীক দেশপ্ৰেম আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতীকৰূপে আখ্যা দিছে। নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় সাহসিকতা বঁটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে দেশৰ বাবে প্ৰাণ আহুতি দিয়া স্বাধীনতা সংগ্ৰামীসকলৰ ন্যায়, সমতা আৰু ৰাষ্ট্ৰীয় ঐক্যৰ আদৰ্শক আগবঢ়াই নিবলৈ যুৱচামৰ প্ৰতি আহ্বান জনায়। এই তিনিওগৰাকী স্বাধীনতা সংগ্ৰামীৰ লগতে অন্যান্য অগণন ছহিদক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে পালন কৰা ছহিদ দিৱসৰ সৈতে সংগতি ৰাখি অনুষ্ঠানটো আয়োজন কৰা হৈছিল। অনুষ্ঠানত বঁটা লাভ কৰাসকলৰ ভিতৰত সাংবাদিক, প্ৰতিৰক্ষাৰ সৈতে জড়িত ব্যক্তি তথা দিল্লী অগ্নিনিৰ্বাপক সেৱাৰ কৰ্মচাৰীসকলক সমাজৰ প্ৰতি সেৱা আৰু সাহসিকতাৰ ব্যতিক্ৰমী উদাহৰণৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

০০০০০

বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি তামিলনাডুত এন ডি এ মিত্ৰজোঁটে আসনৰ ভাগ-বাটোৱাৰাৰ চুক্তি চূড়ান্ত কৰিছে। এই সন্দৰ্ভত চেন্নাইত আয়োজিত এখন বৈঠকত জ্যেষ্ঠ বিজেপি নেতা পীয়ূষ গোৱেল আৰু এ আই এ ডি এম কে-ৰ সাধাৰণ সম্পাদক এডাপ্পাডি পালানীস্বামীয়ে অংশগ্ৰহণ কৰে। বুজাবুজি অনুসৰি এ আই এ ডি এম কে-ই ১৭৮ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে বিজেপিয়ে ২৭ খন আসনত নিজৰ প্ৰাৰ্থী থিয় কৰাব। ইপিনে ড০ আন্বুমানি ৰামাডছ নেতৃত্বাধীন পি এম কেৰ অংশটোৱে ১৮ খন আৰু টি টি ভি ধিনাকৰণ নেতৃত্বাধীন এ এম এম কে-ই ১১ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। মহাৰাষ্ট্ৰ, হাৰিয়ানা, বিহাৰ আৰু দিল্লীৰ নিৰ্বাচনৰ দৰে তামিলনাডুতো এন ডি এ মিত্ৰজোঁটে বিজয়ধবজা উৰুৱাব বুলি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীগোৱেলে উল্লেখ কৰে।

ইপিনে ৰাজ্যখনৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কংগ্ৰেছ আৰু ডি এম কে-য়ো বুজাবুজি সম্পন্ন কৰিছে। ৰাজ্যখনৰ কংগ্ৰেছৰ অধ্যক্ষ কে ছেল্‌ভাপাৰুংথাগাই জানিবলৈ দিয়া মতে দলটোৱে ২৮ খন বিধানসভা আসনত প্ৰাৰ্থী দিব। দলটোৱে সমাগত ৰাজ্যসভা নিৰ্বাচনতো এখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

ইপিনে পুডুচেৰীতো দুয়োটা দলে আসনৰ বুজাবুজি কৰিছে। কেন্দ্ৰীয়শাসিত অঞ্চলটোত হ'বলগীয়া বিধানসভা নিৰ্বাচনত কংগ্ৰেছে ১৬ খন আৰু ডি এম কে-ই বাকী ১৪ খন আসনৰ পৰা নিৰ্বাচনী ৰণত অৱতীৰ্ণ হ'ব।

০০০০০

কেৰালামৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে দাখিল কৰা মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। কালি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন উকলি যোৱাৰ পাছত নিৰ্বাচনৰ বাবে ৰাজ্যখনত ইতিমধ্যে প্ৰচাৰ অভিযানৰ প্ৰস্তুতি তীব্ৰতৰ হৈ উঠাৰ বাতৰি আহিছে। ৰাজ্যখনৰ তিনিটা প্ৰধান ৰাজনৈতিক দলৰ নেতাসকলে বিভিন্ন ধৰণে প্ৰচাৰ অভিযানৰ যো-জা চলাইছে বুলি আমাৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

০০০০০

ইৰাণৰ তেলৰ ওপৰত নিষেধাজ্ঞা সাময়িকভাৱে শিথিল কৰিবলৈ প্ৰশাসনে লোৱা সিদ্ধান্তক ন্যায্যতা প্ৰদান কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয় যে এই পদক্ষেপে তেলৰ নাটনি হ্ৰাস কৰিব। ফ্ল'ৰিডাত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ট্ৰাম্পে জোৰ দি কয় যে পশ্চিম এছিয়াত চলি থকা সংঘাতৰ মাজতে ইৰাণক আৰ্থিকভাৱে লাভৱান কৰাতকৈ বিশ্বব্যাপী তেলৰ যোগান সুস্থিৰ কৰাৰ উদ্দেশ্যেৰে এই পদক্ষেপ লোৱা হৈছে। তেওঁ লগতে কয় যে ইৰাণৰ তেল বজাৰত প্ৰৱেশ কৰিবলৈ দিলে বিশ্বত শক্তিৰ চাহিদা পূৰণ হোৱাটো নিশ্চিত আৰু ইয়াৰ পৰা ইৰাণে লাভ কৰিবলগীয়া ৰাজহে যুদ্ধত প্ৰভাৱ পেলোৱাৰ কোনো সম্ভাৱনা নাই। ইয়াৰ পূৰ্বে শুকুৰবাৰে আমেৰিকাই ভূ-ৰাজনৈতিক উত্তেজনা আৰু হৰমুজ জলদ্বীপৰ মাজেৰে তেল পৰিবাহী জাহাজ পৰিবহণত ব্যাঘাত জন্মাৰ বাবে ইৰাণত উৎপাদিত খাৰুৱা তেল আৰু পেট্ৰলিয়াম সামগ্ৰীৰ ওপৰত ১৯ এপ্ৰিললৈকে নিষেধাজ্ঞা সাময়িকভাৱে শিথিল কৰাৰ কথা ঘোষণা কৰিছিল। সেই ঘোষণাৰ জড়িতেই ইৰাণৰ খাৰুৱা তেল আৰু শোধিত সামগ্ৰী আমেৰিকাত বিক্ৰীৰ অনুমতি দিয়া হৈছিল।

০০০০০

আমেৰিকাৰ সৈতে আলোচনা কৰাৰ বিষয়টো ইৰাণৰ সংসদৰ অধ্যক্ষই অস্বীকাৰ কৰিছে। মহম্মদ বাঘেৰ কালিবাফে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে আমেৰিকাৰ সৈতে কোনো আলোচনা হোৱা নাই আৰু ভুৱা বাতৰিৰ সহায়ত অৰ্থনীতি আৰু তেলৰ বজাৰত বিভ্ৰান্তিৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰা হৈছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰাণে চুক্তি কৰিবলৈ আগ্ৰহী বুলি সামাজিক মাধ্যম ট্ৰুথ চছিয়েলত পোষ্ট কৰাৰ পাছতেই ইৰাণে এই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আমেৰিকাৰ এজন দূতে ইৰাণৰ এজন সন্মানীয় নেতাৰ সৈতে কথা পাতিছে বুলিও মহম্মদ বাঘেৰ কালিবাফে সদৰী কৰিছে।

০০০০০

কলম্বিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে কালি দেশখনৰ দক্ষিণ অংশত পেৰুৰ সীমান্তৰ ওচৰত ১১০ জন সৈনিক কঢ়িয়াই নিয়া এখন সামৰিক বিমান দুৰ্ঘটনাগ্ৰস্ত হয়। দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰী পেড্ৰ' ছানচেজে কয় যে মাৰ্টিন হাৰকিউলিছ C130 বিমানখনে দক্ষিণ আমাজন অঞ্চলৰ গভীৰতম বন্দৰ লেগুইজামোৰ পৰা পেৰু অভিমুখে উৰণৰ সময়তে দূৰ্ঘটনাগ্ৰস্ত হয়। এজন সৈনিক নিহত হোৱাৰ লগতে এই দূৰ্ঘটনাত কমেও ৭৭ গৰাকী গুৰুতৰভাৱে আহত হৈছে। কৰ্তৃপক্ষই জনোৱা মতে, বলিভিয়াৰ বায়ুসেনাৰ দ্বাৰা পৰিচালিত আন এখন হাৰকিউলিছ চি-১৩০ বিমান ফেব্ৰুৱাৰীৰ শেষৰ ফালে আল্ট'ত দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ মাত্ৰ কেইসপ্তাহমানৰ পিছতে এই দুৰ্ঘটনা সংঘটিত হৈছে।

ooooo

ওড়িশাৰ ভূবনেশ্বৰত আজি ৰাষ্ট্ৰীয় ইনড'ৰ এথলেটিকছ্ চেম্পিয়নশ্বিপছ্ৰ উদ্বোধনী সংস্কৰণ আৰম্ভ হ'ব। এই প্ৰতিযোগিতাই দেশৰ ক্ৰীড়া ইতিহাসত এটা নতুন অধ্যায়ৰ সূচনা কৰিব। এই দুদিনীয়া ক্ৰীড়া প্ৰতিযোগিতাখনত জ্যেষ্ঠ আৰু ২০ বছৰ অনূৰ্ধ শিতানত ৯৭ গৰাকী মহিলাকে ধৰি মুঠ ২৭৮ গৰাকী ক্ৰীড়াবিদে অংশ ল'ব। দেশৰ ইনড'ৰ এথলেটিকছ্ ক্ষেত্ৰখনক শক্তিশালী কৰাৰ লগতে আগশাৰীৰ অন্য প্ৰতিযোগিতাসমূহ আৰম্ভ হোৱাৰ পূৰ্বে এই চেম্পিয়নশ্বিপছে দেশৰ খেলুৱৈসকলক এখন মঞ্চ প্ৰদান কৰিব বুলি আয়োজকে আশা প্ৰকাশ কৰিছে। পুৰুষৰ ৩ হাজাৰ মিটাৰ দৌৰেৰে আজি প্ৰতিযোগিতাখনৰ আৰম্ভণি হ'ব।

ooooo

সমাপ্ত